**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**HEADLINES**

১। বানত নগাওঁ, কৰিমগঞ্জ আৰু দৰং জিলাত সৰ্বাধিক লোক ক্ষতিগ্ৰস্ত। চলিত বৰ্ষৰ বানত এই পৰ্যন্ত ৪৬গৰাকী লোকৰ মৃত্যু।

২। ১৫ আগষ্টৰ ভিতৰত পুনৰ সংস্থাপন আৰু অনুদান দিব পৰাকৈ আশ্ৰয় শিবিৰত থকা লোক অথবা ৪৮ ঘণ্টাৰ অধিক সময় পানীত আৱদ্ধ হৈ থকা পৰিয়ালসমূহক চিনাক্ত কৰিবলৈ জিলা আয়ুক্তসকললৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ।

৩। অনুসুচীত জাতি আৰু জনজাতিৰ চাকৰি প্ৰত্যাশীসকলক উদগণি যোগাবলৈ ৰাজ্য চৰকাৰৰ যিকোনো পদ বা সেৱাৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষাৰ মাচুল ৰেহাইৰ প্ৰস্তাৱত কেবিনেটৰ অনুমোদন।

৪। সৰ্বাত্মক বিকাশৰ লক্ষ্যৰে ৰাজ্যৰ ৭খন অভিলাষী জিলা তথা ২০ টা উন্নয়ন খণ্ড এলেকাত আজিৰেপৰা **সম্পূৰ্ণতা অভিযান**।

**আৰু**

৫। উম্বলডন অপেন টেনিছ প্ৰতিযোগিতাত ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটোৰ জয়েৰে অভিযান আৰম্ভ।

০০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি এতিয়াও শাম কটা নাই। কোনো কোনো জিলাৰ কেতবোৰ জলমগ্ন অঞ্চলত পৰিস্থিতি পূৰ্বতকৈ কিছু উন্নত হৈছে যদিও নৈপৰীয়া অঞ্চলসমূহত বানৰ সমান্তৰালভাৱে খহনীয়াই জটিল ৰূপ ধাৰণ কৰিছে। খহনীয়াই বিভিন্ন স্থানত বান্ধ আৰু মথাউৰিৰ প্ৰতিও ভাবুকি কঢ়িয়াইছে। চৰকাৰী তথ্য অনুসৰি যোৱা ২ জুলাই পৰ্যন্ত বানৰ ফলত নগাওঁ, কৰিমগঞ্জ আৰু দৰং জিলাত সৰ্বাধিক লোক ক্ষতিগ্ৰস্ত হৈছে। নগাঁৱত বানত ক্ষতিগ্ৰস্ত লোকৰ সংখ্যা ৩লাখ ৮৬হাজাৰৰো অধিক হোৱাৰ বিপৰীতে কৰিমগঞ্জ আৰু দৰঙত ২লাখ ৬২হাজাৰ আৰু ১লাখ ৯১ হাজাৰৰো অধিক বান পীড়িতই দুৰ্ভোগ ভুগিবলগীয়া হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে প্ৰকাশ কৰা মতে চলিত বৰ্ষৰ বানে ৫২খন দলঙৰ লগতে ৪০ টা মথাউৰিৰ ক্ষতি কৰিছে। ইফালে, বান পীড়িতসকলক সাহায্য প্ৰদানৰ বাবে নিৰন্তৰ প্ৰয়াস কৰি থকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বানৰ সময়চোৱাত যোৱা ২ জুলাই পৰ্যন্ত প্ৰায় ১১ হাজাৰ কুইণ্টল চাউল, ২ হাজাৰ কুইণ্টল দাইল, চাৰে ৫০০ কুইণ্টল নিমখ আৰু ২৩ হাজাৰ কুইণ্টল মিঠাতেল বিতৰণ কৰা বুলি জানিবলৈ দিয়ে।

ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জাৰি কৰা তথ্য অনুসৰি ৰাজ্যৰ মুঠ ২৯ খন জিলাৰ ১৬ লাখৰো অধিক লোক বানৰ কবলত পৰিছে। ৰাজ্যখনত যোৱা ২৪ ঘণ্টাত বানৰ ফলত আৰু ৮ জন লোকে প্ৰাণ হেৰুৱাইছে। ইয়াকে লৈ চলিত বৰ্ষত বান জনিত ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৬লৈ বৃদ্ধি পাইছে। ৩ জন লোক সন্ধানহীন হৈ আছে। বানৰ ফলত ১০৫টা ৰাজহ চক্ৰৰ মুঠ দুহেজাৰ ৮০০ খন গাঁও প্ৰভাৱিত হৈছে আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৩৯ হাজাৰ ৪০০ হেক্টৰৰো অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্য চৰকাৰে বান প্ৰভাৱিত লোকৰ সহায়ৰ বাবে ১৮১টা আশ্ৰয় শিবিৰ আৰু ৩৩৪টা সাহায্য বিতৰণ কেন্দ্ৰ মুকলি কৰিছে।

বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীয়ে কালি কামৰূপ জিলাৰ কেইবাটাও বান ক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শন কৰে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বান পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। উদ্যানখনৰ ১৭৮টা বন

পহৰা চকী জলমগ্ন হৈছে। উদ্যানখনৰ বন্য জীৱ-জন্তু বোৰে ওচৰৰ ওখ পাহাৰীয়া ঠাইত আশ্ৰয় লোৱা পৰিলক্ষিত হৈছে। উদ্যান কৰ্তৃপক্ষই সুৰক্ষাৰ সুনিশ্চিত কৰাৰ উদ্দেশ্যে যাতায়াতৰ পথ সলনি কৰাৰ নিৰ্দেশ দিছে। উদ্যানখনৰ মাজেৰে গধুৰ যান-বাহনৰ চলাচল নিষিদ্ধ কৰা হৈছে।

ৰাজ্যখনৰ বিভিন্ন প্ৰান্তেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপ নৈসমূহৰ জলস্তৰ বিপদ সীমাৰ ওপৰেৰে বুঢ়ীদিহিং নৈৰ জলপৃষ্ঠ বিপদ সীমাৰ ওপৰেৰে বৈ আছে।

ইপিনে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড়ৰ টেঙাখাটত থকা সাহায্য শিবিৰত উপস্থিত হৈ তাত আশ্ৰয় লৈ থকা বান প্ৰভাৱিত লোকসকলৰ সৈতে মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক শিবিৰত অনাময় ব্যৱস্থা তথা চিকিৎসা সাহায্য সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। চৰকাৰে বানপীড়িত লোকসকলক সাহায্য আগবঢ়োৱাটো সুনিশ্চিত কৰাৰ বাবে সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছে বুলি তেওঁ সদৰি কৰে।

oooooooo

কৰিমগঞ্জ জিলাৰ নদীসমূহৰ জলস্তৰে বিপদৰ সীমা অতিক্ৰম কৰাৰ বাবে জিলাখনৰ অধিকাংশ বিদ্যালয় বানত বুৰ গৈছে। শিক্ষাৰ্থীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে জিলাখনৰ আয়ুক্তই আজিৰ পৰা সকলো চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয় বন্ধৰ নিৰ্দেশ জাৰি কৰিছে। অৱশ্যে বিদ্যালয়সমূহে পূৰ্ব নিৰ্ধাৰিত সময়সূচী অনুসৰি পৰীক্ষা অনুষ্ঠিত কৰিব পাৰিব।

ইপিনে ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰি নদীৰ বাঢ়নী পানীৰ ফলত মাজুলী জিলাৰ ৬৬ হাজাৰতকৈও অধিক লোক বানৰ কবলত পৰিছে। জিলাখনৰ আঁহতগুৰি উচ্চ মাধ্যমিক বিদ্যালয়, বনগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয় আৰু দক্ষিণপাট উচ্চ মাধ্যমিক বিদ্যালয়ত থকা সাহায্য শিবিৰত শিশু আৰু গৰ্ভৱতী মহিলাকে ধৰি বান ক্ষতিগ্ৰস্ত লোকসকলক সাহায্য প্ৰদান কৰা হৈছে। জিলা প্ৰশাসনে ৫২ হাজাৰতকৈও অধিক লোকক খাদ্য সামগ্ৰী প্ৰদান কৰাৰ উপৰি ৭ হাজাৰ ৮১৭টা দমকল বিতৰণ কৰিছে। তদুপৰি জীৱ-জন্তুৰ বাবে এহেজাৰ কুইণ্টল পশুখাদ্যও বিতৰণ কৰা হৈছে। ৩২টা স্বাস্থ্যকৰ্মীৰ দলে বান ক্ষতিগ্ৰস্ত লোকসকলৰ স্বাস্থ্যৰ সুবিধাৰ বাবে নিৰৱচ্ছিন্নভাৱে সেৱা আগবঢ়াইছে। ৫ খন বিশেষ নাৱৰ জৰিয়তে ১৫৭ গৰাকী আবদ্ধ হৈ থকা ব্যক্তিৰ লগতে ২০০টা পশু উদ্ধাৰ কৰা হৈছে।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি পৰ্যালোচনাৰ কৰাৰ উদ্দেশ্যে কালি জিলা আয়ুক্তসকলৰ সৈতে জনতা ভৱনৰ মুখ্যমন্ত্ৰীৰ সভা কক্ষৰ পৰা ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে এখন বৈঠকত মিলিত হয়। এই বৈঠকত বান পীড়িতলোকৰ উদ্ধাৰ,সাহায্য অভিযান, পুনৰ সংস্থাপন, ক্ষতিগ্ৰস্ত পৰিয়াল তথা অনান্য অনুষ্ঠান-প্ৰতিষ্ঠান ইত্যাদিৰ ক্ষয় ক্ষতিৰ জৰীপ কৰি উদ্ধাৰ অভিযান ক্ষীপ্ৰগতিত অব্যাহত ৰখাৰ বিষয়ে আলোচনা কৰা হয়। তদুপৰি পুনৰ সংস্থাপনৰ ব্যৱস্থা সম্পূৰ্ণ নোহোৱালৈকে আশ্ৰয় শিবিৰত থকা লোকসকলে যাতে খাদ্য, খোৱাপানী, চিকিৎসা সামগ্ৰী, শিশু খাদ্য, চেনিটেৰী নেপকিন আদিকে ধৰি প্ৰয়োজনীয় সকলো সাহায্য সামগ্ৰী লাভ কৰিব পাৰে তাক সুনিশ্চিত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়ে। আনহাতে, শ্লুইচ গেটত পাম্প কৰি পানী নিষ্কাষণ, ভগ্ন দলঙৰ বিকল্প ব্যৱস্থা, জিঅ' বেগৰ ব্যৱস্থা, জমা হৈ থকা পানী উলিয়াই দিয়া ইত্যাদি দিশত বিভিন্ন ধৰণৰ উদ্ধাৰনীমূলক ব্যৱস্থাৰে বান পীড়িত এলেকাসমূহত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ বাবেও মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়ে। অহা ১৫ আগষ্টৰ ভিতৰত বান পীড়িত ৰাইজক পুনৰ সংস্থাপন আৰু অনুদান দিব পৰাকৈ আশ্ৰয় শিবিৰত থকা লোক অথবা ৪৮ ঘণ্টাৰ অধিক সময় পানীত আৱদ্ধ হৈ থকা পৰিয়ালসমূহক চিনাক্ত কৰি আংশিক বা সম্পূৰ্ণভাৱে ক্ষতিগ্ৰস্ত গৃহৰ গৰাকীসমূহৰ সঠিক তালিকা প্ৰস্তুত কৰাৰ বাবে তৎকালীন জৰীপ আৰম্ভ কৰিবলৈও তেওঁ আয়ুক্তসকলক নিৰ্দেশ দিয়ে।

ইফালে,বান পৰিস্থিতি পৰ্যবেক্ষণৰ বাবে আজিৰেপৰা কেইবাজনো মন্ত্ৰীক নিৰ্দিষ্ট জিলাত তিনিদিনৰ বাবে বাহৰ পাতি ক্ষয় ক্ষতিৰ প্ৰতিবেদন যুগুতোৱাৰ কামত নিয়োজিত কৰা হৈছে। সেই অনুসৰি ডিব্ৰুগড় আৰু তিনিচুকীয়াত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, চৰাইদেউত যোগেন মোহন, শিৱসাগৰ আৰু যোৰহাটত বিমল বৰা, ধেমাজি আৰু লখিমপুৰত

ডাঃ ৰণোজ পেগু, বিশ্বনাথ-শোণিতপুৰ আৰু দৰঙত পিযুষ হাজৰিকা, গোলাঘাটত অজন্তা নেওগ, নগাওঁ আৰু মৰিগাঁৱত অতুল বৰা, মাজুলীত জয়ন্তমল্ল বৰুৱা আৰু ওদালগুৰিত নন্দিতা গাৰ্লোচাক দায়িত্ব দিয়া হৈছে। আনহাতে, মুখ্যমন্ত্ৰী শৰ্মাই আজি মাজুলী, পৰহি ডিব্ৰুগড় আৰু তাৰ পাছত তিনি-চাৰিদিনৰ বাবে বৰাক উপত্যকাৰ বান পীড়িত অঞ্চলসমূহলৈ গৈ পৰিস্থিতিৰ বুজ ল'ব। মুখ্যমন্ত্ৰীয়ে নিৰ্দিষ্ট জিলাসমূহৰ আয়ুক্তসকলক ইয়াৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে। আনহাতে, বান প্ৰশমনৰ পাছত কৃষকসকলে যাতে প্ৰয়োজনীয় কঠিয়া আৰু বীজ লাভ কৰিব পাৰে তাৰ বাবে এতিয়াৰে পৰা কৃষি বিভাগক সষ্টম কৰি ৰাখিবলৈ আৰু পৰিস্থিতি উন্নত হোৱাৰ লগে লগে অঞ্চলসমূহত চিকিৎসা শিবিৰ অনুষ্ঠিত কৰিবলৈ জিলা আয়ুক্তসকলক তেওঁ নিৰ্দেশ প্ৰদান কৰে। ভিডিঅ' কনফাৰেন্সিঙৰ সময়ত মুখ্য সচিব ড০ ৰবি কোটা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব কে কে দ্বিবেদী, ৰাজহ বিভাগৰ প্ৰধান সচিব জি ডি ত্ৰিপাঠী, বিশেষ শাখাৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান হিৰেণ নাথৰ লগতে এন ডি আৰ এফ, এছ ডি আৰ এফ তথা সংশ্লিষ্ট বিভাগৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি দিছপুৰত অনুষ্ঠিত হোৱা কেবিনেট বৈঠকত শেহতীয়া বান পৰিস্থিতি সম্পৰ্কে আলোচনাৰ লগতে ৰাজ্যৰ সৰ্বাংগীন উন্নয়নৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত কালি নিশা মুখ্যমন্ত্ৰীয়ে এখন সংবাদ মেল সম্বোধন কৰি অনুসুচীত জাতি আৰু জনজাতিৰ চাকৰি প্ৰত্যাশীসকলক প্ৰতিযোগিতামূলক পৰীক্ষাত উৎসাহ প্ৰদান, বৃক্ক ৰোগীৰ বাবে সুলভ আৰু মানসম্পন্ন চিকিৎসা প্ৰদান তথা কৰ্কট ৰোগৰ বিশ্বমানৰ প্ৰতিষ্ঠানৰ সুবিধাকে ধৰি বিভিন্ন বিষয়ত কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা বুলি জানিবলৈ দিয়ে। তেওঁ কয় যে অনুসুচীত জাতি আৰু জনজাতি যুৱক-যুৱতীসকলে ৰাজ্য চৰকাৰৰ যিকোনো পদ বা সেৱাৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষাত অংশগ্ৰহণ কৰিলে পৰীক্ষাৰ মাচুল ৰেহাই পাব। আনহাতে, ৰাজ্য চৰকাৰে বৰ্তমানে ৪১টা ডায়েলাইছিছ কেন্দ্ৰৰ জৰিয়তে বৃক্ক ৰোগীৰ বাবে সুলভ আৰু মানসম্পন্ন চিকিৎসা আগবঢ়াই আছে যদিও অচিৰে আৰু ৩৭ টা এনে কেন্দ্ৰ স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ইফালে, অসম আৰু উত্তৰ পূবৰ কৰ্কট ৰোগীৰ বাবে সুলভ নিৰিখত উচ্চমানৰ চিকিৎসা সেৱা প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰে টাটা এডুকেশ্বন এণ্ড ডেভেলপমেণ্ট ট্ৰাষ্ট আৰু আসাম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ মাজত ত্ৰিপাক্ষিক বুজাবুজি চুক্তি স্বাক্ষৰতো অনুমোদন জনোৱা বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰে।

০০০০০০০০

অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহৰ দ্ৰুত তথা সৰ্বাত্মক বিকাশৰ লক্ষ্যৰে ৰাজ্যৰ কেইবাখনো জিলাত আজিৰেপৰা **সম্পূৰ্ণতা অভিযান** ৰূপায়ণ কৰা হ'ব। উল্লেখযোগ্য যে বৰ্তমানলৈ উন্নয়নৰ সুফল নোপোৱা দেশৰ ভিন্ন প্ৰান্তৰ অঞ্চলক সামৰি কেন্দ্ৰীয় চৰকাৰে এনে অঞ্চলসমূহৰ দ্ৰুত উন্নয়ন লক্ষ্যৰে **সম্পূৰ্ণতা অভিযান** আৰম্ভ কৰিছে। নীতি আয়োগে আৰম্ভ কৰা এই অভিযান ৩০ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এই অভিযানে নিৰ্বাচিত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডৰ নিৰ্দিষ্ট সূচাংক পৰ্যন্ত উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব দিব।

**সম্পূৰ্ণতা অভিযান**ৰ অভিলাষী জিলাৰ কাৰ্যসূচীয়ে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু জলসম্পদ, বিত্তীয় চামিলকৰণ, দক্ষতা বিকাশ আৰু আন্তঃগাঁথনিক সামৰি লোৱাৰ বিপৰীতে অভিলাষী খণ্ড কাৰ্যসূচীয়ে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু কৃষি সম্বন্ধীয় অন্যান্য সেৱা, প্ৰাথমিক স্তৰৰ আন্তঃগাঁথনি তথা সামাজিক উন্নয়নক সামৰি লৈছে। এই অভিযানৰ অধীনত জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ তে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায় বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

উল্লেখযোগ্য যে অসমত এই অভিযানে বাক্সা, ধুবুৰী, দৰং, বৰপেটা, গোৱালপাৰা,ওদালগুৰি আৰু  হাইলাকান্দি জিলাকে ধৰি মুঠ ৭খন জিলা তথা ২০টা উন্নয়ন খণ্ড এলেকাক  সাঙুৰি লৈছে।

০০০০০০০০

কামৰূপ মহানগৰ জিলাৰ বৃদ্ধাবাসসমূহত থকা আৱাসীসকলৰ আধাৰ কাৰ্ড, ৰেচন কাৰ্ড, আয়ুষ্মান ভাৰত কাৰ্ড, বেংক একাউণ্টৰ সমস্যা আদি তাৎক্ষণিকভাৱে সমাধান কৰাৰ লগতে অৰুণোদয় আঁচনিত অন্তৰ্ভুক্তিকৰণৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাক নিৰ্দেশ দিছে। তদুপৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ অনান্য জিলাসমূহৰ বৃদ্ধাবাসৰ আৱাসীৰ সুবিধাৰ্থে এই ব্যৱস্থাসমূহ পৰ্যায়ক্ৰমে আৰম্ভ কৰাৰ বাবে জিলা প্ৰশাসনসমূহক যথোপযুক্ত নিৰ্দেশনা জাৰি কৰিবলৈ মুখ্য সচিবক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে কামৰূপ মহানগৰ জিলাত ১২টা বৃদ্ধাবাসত ২৯৩গৰাকী আৱাসী আছে যদিও তেওঁলোকৰ ১৮৬গৰাকীৰ আধাৰ কাৰ্ড, ২৬৭গৰাকী ৰেচন কাৰ্ড আৰু ২৮৩গৰাকীৰ আয়ুষ্মান ভাৰত কাৰ্ড নাই। আনহাতে, এই আৱাসীসকলৰ ২৬৯গৰাকীয়ে বৰ্তমানলৈকে অৰুণোদয় আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত হৈ থকাৰ বিপৰীতে ২৩১গৰাকীৰ বেংক একাউণ্ট নাই। বিষয়টো মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ হোৱাত তেওঁ সংশ্লিষ্ট বিভাগ সমূহৰ সৈতে এখন বৈঠক অনুষ্ঠিত কৰি সমস্যাসমূহ তাৎক্ষণিকভাৱে নিষ্পত্তি কৰাৰ নিৰ্দেশ দিয়ে।

০০০০০০০০

অহা শনিবাৰ আৰু দেওবাৰে উত্তৰ লখিমপুৰ প্ৰেছ ক্লাবৰ দ্বিবাৰ্ষিক অধিবেশন অনুষ্ঠিত হ'ব। বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা অধিবেশনত মুখ্যমন্ত্ৰীৰ বিশেষ পুঁজিৰে নিৰ্মিত এটা প্ৰেক্ষাগৃহ উদ্বোধন কৰা হ'ব। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি জ্যেষ্ঠ আৰু কনিষ্ঠ সাংবাদিকৰ অন্তৰংগ আলাপ অনুষ্ঠানৰো আয়োজন কৰা হৈছে। অধিবেশনত সমাজসেৱী সকলকো সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব।

০০০০০০০০

ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটোৱে উম্বলডন অপেন টেনিছ প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। বোপন্না আৰু এবডেনৰ যুটীটোৱে যোৱানিশা পুৰুষৰ ডাবলছৰ এখন খেলত নেডাৰলেণ্ডছৰ ছেণ্ডাৰ অৰেণ্ডছ আৰু ৰবীন হাছেৰ যুটীটোক পৰাস্ত কৰে। অৱশ্যে ভাৰতৰ সুমিত নাগল আৰু চাৰ্বিয়াৰ দুছান লাজোভিছৰ যুটীটোৱে পুৰুষৰ ডাবলছত স্পেইনৰ পেড্ৰো মাৰ্টিনেজ আৰু মুনাৰৰ হাতত ৬-২, ৬-২ পোনপটীয়া ছেটত পৰাজিত হয়। সুমিত নাগল চাৰ্বিয়াৰ মিয়োমিৰ কেকমানভিচৰ হাতত ২-৬, ৬-৩, ৩-৬, ৪-৬ ছেটত পৰাজিত হৈ ইতিমধ্যে পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডৰ পৰা বাহিৰ হৈছে।

০০০০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ বিজয়ী ভাৰতীয় দলটো দিল্লীত উপস্থিত হৈছে। ভাৰতীয় দলটোক আদৰণী জনোৱাৰ বাবে ক্ৰিকেট অনুৰাগীসকলে দিল্লী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত ভিৰ কৰা পৰিলক্ষিত হয়। ভাৰতীয় দলটো বেৰিল ঘূৰ্ণী বতাহৰ বাবে টি-টুৱেণ্টি বিশ্বকাপৰ ফাইনেল খেল অনুষ্ঠিত বাৰবাডোছত আবদ্ধ হৈ আছিল। ভাৰতীয় দলটোৱে মুম্বাইলৈ ৰাওনা হোৱাৰ পূৰ্বে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তেওঁৰ বাসগৃহত সাক্ষাৎ কৰিব। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ সচিব জয় শ্বাহে কৈছে যে, বিজয়ী দলটোৱে আজি বিয়লি মুম্বাইত বাছ ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছতে ৱাংখেড়ে ষ্টেডিয়ামত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে বিজয়ী দলটোক পুৰস্কাৰ ৰাশি প্ৰদান কৰিব।

০০০০০০০০

স্মাপ্তবানৰ প্ৰভাৱত ৰাজ্যজুৰি সৃষ্টি হোৱা ভয়াৱহ পৰিস্থিতিৰ বাতৰিক আজি প্ৰকাশিত আটাইকেইখন কাকতেই প্ৰথম পৃষ্ঠাত স্থান দিছে। উত্তৰপ্ৰদেশৰ হাথৰছত এখন ধৰ্মীয় সমাৱেশত পদপিষ্ট হৈ মৃত্যুবৰণ কৰা লোকৰ সংখ্যা ১২১ লৈ বৃদ্ধি হোৱাৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সাংসদৰূপে নিৰ্বাচিত হোৱা ৰাষ্ট্ৰদোহৰ অপৰাধত কাৰাৰুদ্ধ খালিস্তানপন্থী নেতা অমৃতপাল সিঙৰ শপতগ্ৰহণৰ বাবে ৪ দিনৰ পেৰ'ল মঞ্জুৰ হোৱাৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান কৰিছে।

অসম চৰকাৰে এটা নিৰ্দেশনাযোগে ৰাজ্যৰ প্ৰায় ৪ হাজাৰ ভুৱা ফাৰ্মাচিষ্টৰ অনুজ্ঞাপত্ৰ বাতিল কৰাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰপতিৰ দ্বাৰা মনোনীত সাংসদ বিশিষ্ট লেখিকা, সমাজসেৱিকা সুধা মূৰ্তিয়ে ৰাজ্যসভাত দিয়া নিজৰ প্ৰথমটো ভাষণত অসমীয়া কলা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলী প্ৰচাৰ আৰু প্ৰসাৰৰ ওপৰত বিশেষভাৱে আলোকপাত কৰাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ভাৰতীয় শ্বেয়াৰ বজাৰত অভিলেখ সৃষ্টিৰে বম্বে ষ্টক এক্সেঞ্চৰ সূচকাংক ইতিহাসত প্ৰথমবাৰৰ বাবে ৮০ হাজাৰ অতিক্ৰম কৰাৰ বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমৰ শেহতীয়া বান পৰিস্থিতিক লৈ সদৌ অসম ছাত্ৰ সন্থাই উদ্বিগ্নতা প্ৰকাশ কৰাৰ লগতে কেন্দ্ৰৰ নিষ্ক্ৰিয়তাক লৈ ক্ষোভ প্ৰকাশৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যিক কেবিনেটে পূৰ্বৰ চৰকাৰৰ দিনৰ বৰদিকৰাই জলবিদ্যুৎ প্ৰকল্পৰ প্ৰসংগ চিবিআইক অৰ্পণৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী চম্পাই চোৰণৰ পদত্যাগৰ পাছতেই শেহতীয়াকৈ কাৰামুক্ত প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত চোৰেণ পুনৰ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হোৱাৰ দিশে আগবঢ়াৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে **দি আছাম ট্ৰিবিউন** কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিৰ চমু অৱলোকন।

০০০০০০০০

সমাপ্ত